# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-05-2025
**Time :** 1340 hrs

## *Assamese Midday Bulletin*
## HEADLINES

১। পাকিস্তানী সন্ত্ৰাসবাদীয়ে পেহেলগামত চলোৱা আক্ৰমণৰ ঘটনাৰ প্ৰতিশোধকল্পে আৰম্ভ কৰা সিন্দূৰ অভিযান এতিয়াও অব্যাহত আছে বুলি কেন্দ্ৰীয় চৰকাৰে সৰ্বদলীয় বৈঠকত প্ৰকাশ কৰিছে।

২। জম্মু-কাশ্মীৰত পাকিস্তানী সেনাই গোলাবৰ্ষণ কৰি সেনাবাহিনীৰ কেইবাটাও ফায়াৰিং পোষ্ট ধ্বংস কৰাৰ পাছত সেনাবাহিনীয়ে উচিত প্ৰত্যুত্তৰ দিছে।

৩। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ নতুন দিল্লীৰ বাসভৱনত সাক্ষাৎ কৰে।

৪। পাকিস্তানৰ বেলুচিস্তানত সংঘটিত দুটা সুকীয়া ঘটনাত পাকিস্তান সেনাৰ ১৪জন জোৱান নিহত হৈছে।

৫। উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাত আজি পুৱা সংঘটিত এটা হেলিকপ্তাৰ দুৰ্ঘটনাত ছগৰাকী তীৰ্থযাত্ৰীয়ে প্ৰাণ হেৰুৱাইছে

**আৰু**

৬। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাৱ কিংছ, ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

পাকিস্তানী সন্ত্ৰাসবাদীয়ে পেহেলগামত চলোৱা আক্ৰমণৰ ঘটনাৰ প্ৰতিশোধকল্পে আৰম্ভ কৰা সিন্দূৰ অভিযান এতিয়াও অব্যাহত আছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। বিষয়টো সন্দৰ্ভত আজি সংসদ ভৱনত অনুষ্ঠিত এখন সৰ্বদলীয় বৈঠকত এই বিষয়ে জানিবলৈ দি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে ভাৰতৰ এই অভিযানত বৰ্তমানলৈ ১০০জনতকৈও অধিক পাকিস্তানী সন্ত্ৰাসবাদীয়ে প্ৰাণ হেৰুৱাইছে। ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলৰ অংশগ্ৰহণেৰে সম্প্ৰতি চলা থকা এই বৈঠকত চৰকাৰে এই অভিযানৰ বিষয়ে সকলোকে অৱগত কৰে। বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ লগতে গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, ৰাজ্যসভাৰ নেতা তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, সমাজবাদী পাৰ্টীৰ নেতা ৰামগোপাল যাদৱ, তৃণমূল কংগ্ৰেছৰ নেতা সুদীপ বন্দোপাধ্যায়, ডি এম কে নেতা টি আৰ বালু, এল জি পি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱান, জে ডি ইউ নেতা সঞ্জয় ঝা, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলে আৰু শিৱসেনাৰ নেতা শ্ৰীকান্ত সিন্ধে বৈঠকত উপস্থিত আছে। বিভিন্ন দলৰ নেতাই দলীয় স্বাৰ্থৰ উৰ্ধলৈ গৈ সিন্দূৰ অভিযানক প্ৰশংসা কৰিছে আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সশস্ত্ৰ বাহিনীসমূহে গ্ৰহণ কৰা ব্যৱস্থাক লৈ গৌৰৱ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বিৰোধী পক্ষই ইয়াৰ পূৰ্বে পেহেলগাম আক্ৰমণৰ পাছত চৰকাৰে গ্ৰহণ কৰা যিকোনো ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।

ooooo

সিন্দূৰ অভিযানৰ পাছত লেহ বিমানবন্দৰ বন্ধ কৰি দিয়াৰ বাবে লাডাখত আবদ্ধ হৈ পৰা পৰ্যটকসকলক সৌহাৰ্দ্যৰ চিন স্বৰূপে বিনামূলীয়া থকা-খোৱাৰ সুবিধা প্ৰদান কৰা হৈছে। হোটেল অথবা গেষ্ট হাউচৰ পৰা গন্তব্য স্থানলৈ বুলি ওলাই আহি

লেহত আবদ্ধ হৈ পৰা পৰ্যটকসকলে আতিথ্য উদ্যোগে আগবঢ়োৱা এই সুবিধা গ্ৰহণ কৰিব পাৰিব। উল্লেখযোগ্য যে, সিন্দূৰ অভিযানৰ পৰিপ্ৰেক্ষিতত লেহ খণ্ডলৈ বিমান সেৱা বাতিল কৰাৰ ফলত লাডাখত ভালেসংখ্যক পৰ্যটক আবদ্ধ হৈ আছে।

০০০০০

জম্মু-কাশ্মীৰত পাকিস্তানী সেনাই গোলাবৰ্ষণ কৰি সেনাবাহিনীৰ কেইবাটাও ফায়াৰিং পোষ্ট ধ্বংস কৰাৰ পাছত সেনাবাহিনীয়ে উচিত প্ৰত্যুত্তৰ দিছে। সেনাৰ গুলীত শত্ৰুপক্ষৰ ভালেসংখ্যক জোৱান হতাহত হোৱাৰ তথ্য পোৱা গৈছে। পৰিস্থিতি অধিক অৱনতি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি কৰ্তৃপক্ষই জম্মু খণ্ডৰ পাঁচখন সীমান্ত জিলা জম্মু, কাঠুৱা, চাম্বা, ৰাজৌৰী আৰু পুঞ্চৰ সকলোবোৰ শৈক্ষিক প্ৰতিষ্ঠান দ্বিতীয় দিনৰ বাবে বন্ধ ঘোষণা কৰিছে। জম্মু প্ৰশাসনে ইয়াৰ ১০খন জিলাতে ২৪ ঘণ্টাই কাৰ্যক্ষম হোৱাকৈ নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত বৰ্ধিত উত্তেজনাৰ মাজত জম্মু-কাশ্মীৰৰ সীমান্তত আজি ১৪ বাৰৰ বাবে গুলীয়াগুলি চলিছে।

ইপিনে, জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ চাৰিটা চেক্টৰত যোৱানিশা পাকিস্তানী সেনাই নিৰৱচ্ছিন্নভাৱে কৰা গোলাবৰ্ষণৰ সেনাবাহিনীয়ে উচিত প্ৰত্যুত্তৰ দিয়ে। সেনাবাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে পাকিস্তানৰ সেনাই জম্মু জিলাৰ আখনুৰ খণ্ড, কুপৱাড়া, বাৰামুল্লা আৰু উৰিত গোলাবৰ্ষণ কৰে। এই গোলাবৰ্ষণত দুয়োপক্ষৰ কোনো লোক হতাহত হোৱাৰ তথ্য পোৱা হোৱা নাছিল। অৱশ্যে কালিৰ গোলাবৰ্ষণত বেয়াকৈ ক্ষতিগ্ৰস্ত জম্মুৰ পুঞ্চ জিলাত নিশাৰ ভাগত পৰিস্থিতি শান্ত হৈ থাকে। পুঞ্চত গোলাবৰ্ষণত কালি ১৩জন লোকৰ মৃত্যু হয়। ইতিমধ্যে সীমান্ত অঞ্চলৰ পৰা শতাধিক লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে। বহু লোকক মাটিৰ তলত স্থাপন কৰা বাংকাৰলৈও স্থানান্তৰ কৰা হৈছে। পাকিস্তানৰ গোলাবৰ্ষণত বহু ঘৰ, বাহন আৰু এটা গুৰুদ্বাৰকে ধৰি কেইবাটাও ভৱন ধ্বংস হয়।

০০০০০

পঞ্জাব আৰক্ষীয়ে প্ৰশাসনিক কাৰণ দৰ্শাই তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ সকলো বিষয়া আৰু জোৱানৰ ছুটী বাতিল কৰিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি বিশেষ পৰিস্থিতিতহে ছুটী মঞ্জুৰ কৰা হ'ব। একেদৰে ৰাজ্যখনৰ স্বাস্থ্য বিভাগৰ সৈতে জড়িত সকলো লোককে সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। তেওঁলোকক ২৪ ঘণ্টাই যিকোনো ধৰণৰ তাৎক্ষণিক চিকিৎসাৰ বাবে সাজু হৈ থাকিবলৈ প্ৰশাসনে নিৰ্দেশ দিছে।

০০০০০

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ নতুন দিল্লীৰ বাসভৱনত সাক্ষাৎ কৰে। ভাৰতে পাকিস্তান আৰু জম্মু আৰু কাশ্মীৰৰ পাক-অধীকৃত এলেকাত থকা সন্ত্ৰাসবাদীৰ ঘাটিত আক্ৰমণ চলোৱাৰ এদিন পাছতে তেওঁলোকৰ মাজত এই বৈঠক অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে কালি শ্ৰীদোভালে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত সন্ত্ৰাসবাদীৰ আন্তঃগাঁথনি ধ্বংস কৰাৰ বাবে ভাৰতে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাৰ বিষয়ে বিভিন্ন দেশৰ নিৰাপত্তা উপদেষ্টাসকলক অৱগত কৰাইছিল। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাগৰাকীয়ে লগতে এইবুলিও জানিবলৈ দিয়ে যে ভাৰতৰ অৱদমনৰ প্ৰতি কোনো ধৰণৰ আগ্ৰহ নাই যদিও পাকিস্তানে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ বিচাৰিলে প্ৰত্যুত্তৰ দিয়াৰ বাবে নতুন দিল্লীত সাজু হৈ আছে।

০০০০০

পাকিস্তানৰ বেলুচিস্তানত সংঘটিত দুটা সুকীয়া ঘটনাত পাকিস্তান সেনাৰ ১৪জন জোৱান নিহত হৈছে। প্ৰদেশখনৰ বোলাণ্ড জিলাৰ মাচ্চৰ অন্তৰ্গত শ্বোৰকাণ্ড এলেকাত সেনাৰ কনভয় এটালৈ লক্ষ্য কৰি ৰিমোট কণ্ট্ৰোল্ড আই ই ডিৰে সংঘটিত কৰা প্ৰথমটো ঘটনাত ১২জন সৈনিকে প্ৰাণ হেৰুৱায়। নিহতসকলৰ মাজত দুজন স্পেচিয়েল অপাৰেচন কমাণ্ডাৰো আছিল। পৰৱৰ্ত্তী সময়ত কেচ্চ জিলাৰ কুলাগ টিগ্ৰান এলেকাত অনুৰূপ ধৰণৰ আন এটা আক্ৰমণৰ ঘটনা সংঘটিত হয়। এই ঘটনাটোত আন দুজন সৈনিকে প্ৰাণ হেৰুৱায়। বেলুচিস্তান লিবাৰেচন আৰ্মী নামৰ সংগঠনটোৰ মুখপাত্ৰ জিয়াণ্ড বেলুচে প্ৰকাশ কৰা এটা বিবৃতিত এই দুয়োটা আক্ৰমণৰ ঘটনাৰ দায়িত্ব স্বীকাৰ কৰিছে।

০০০০০

উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাত আজি পুৱা সংঘটিত এটা হেলিকপ্টাৰ দুৰ্ঘটনাত ছগৰাকী তীৰ্থযাত্ৰীয়ে প্ৰাণ হেৰুওৱাৰ লগতে আন এজন আহত হয়। তীৰ্থযাত্ৰীসকলক কঢ়িয়াই ডেৰাডুনৰ সহস্ৰধাৰা হেলিপেডৰ পৰা খাৰছালি হেলিপেড অভিমুখে

গৈ থকা অৱস্থাত এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ হেলিকপ্তাৰখন গংগনানী এলেকাৰ ওচৰত দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাটোৰ সময়ত হেলিকপ্তাৰখনত পাইলটগৰাকীকে ধৰি মুঠ সাতজন লোক আছিল। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে ঘটনাটোৰ তদন্তৰ নিৰ্দেশ দিছে।

ooooo

দ্বিতীয় বিশ্বযুদ্ধ সমাপ্ত হোৱাৰ ৮০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আজি পুডুচেৰীৰ বীচ্চ ৰোডত থকা যুদ্ধস্মাৰকত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। পুডুচেৰীৰ উপায়ুক্ত কুলোথুংগান আৰু পুডুচেৰী তথা চেন্নাইত থকা ফ্ৰান্সৰ বাণিজ্য দূতাবাসৰ উপ মহা-বাণিজ্যদূত জিন ফিলিপ হুথৰে যুদ্ধস্মাৰকত শ্ৰদ্ধাঞ্জলি তৰ্পন কৰে। দ্বিতীয় বিশ্ব যুদ্ধত প্ৰাণ আহুতি দিয়া সৈনিকসকলৰ প্ৰতি সন্মান জনাই আয়োজন কৰা এই কাৰ্যসূচীত সৈনিকসকলক সুঁৱৰি কিছুসময় মৌনতা অৱলম্বন কৰা হয়।

ooooo

চৌদি আৰবৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী আদেল আল জুবেইৰে আজি পুৱা নতুন দিল্লীত বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰে। তেওঁলোকৰ মাজত অনুষ্ঠিত বৈঠকৰ বিষয়ে জানিবলৈ দি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ বিষয়ে তেওঁ চৌদি আৰবৰ মন্ত্ৰীগৰাকীক জানিবলৈ দিয়ে।

ooooo

পাকিস্তানৰ পৰা পৰিচালিত একাংশ ছ'চিয়েল মিডিয়া হেণ্ডেলৰ জৰিয়তে এটা পুৰণি ভিডিঅ' প্ৰচাৰ কৰা হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰোৰ তথ্য পৰীক্ষা গোটে প্ৰকাশ কৰা মতে প্ৰচাৰ কৰা ভিডিঅ'টি ২০২৪ চনৰ বনজুইৰহে। চৰকাৰে লগতে সত্যাসত্য নিৰূপন নোহোৱা কোনো তথ্য প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিবলৈ আৰু চৰকাৰৰ আনুষ্ঠানিক উৎসৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ আহ্বান জনাইছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাৱ কিংছ, ডেহলি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে কলকাতা নাইড ৰাইডাৰ্ছক ২ উইকেটত পৰাস্ত কৰে। চেন্নাই ছুপাৰ কিংছে ১৮০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৪টা বলত ৮টা উইকেটৰ বিনিময়ত ১৮৩ ৰান সংগ্ৰহ কৰে। চেন্নাইৰ হৈ দি ৱাল্ড ব্ৰেভিছে সৰ্বাধিক ৫২ ৰান কৰে। শিৱম ডুবে ৪৫ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ বৈভৱ আৰোৰাই তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৭৯ ৰান কৰে। কলকাতাৰ হৈ আজিংক্য ৰাহানে সৰ্বাধিক ৪৮ ৰান কৰে।

ooooo

**সমাপ্ত**